# ASSAMESE

## (Second Language)

***Maximum Marks : 80***

***Time Allowed : Three Hours***

1. *Answers to this Paper must be written on the paper provided separately.*
2. *You will* ***not*** *be allowed to write during the first* ***15*** *minutes.*
3. *This time is to be spent in reading the question paper.*
4. ***The time given at the head of this Paper is the time allowed for writing the answers.***

5. *This paper comprises two Sections;* **Section A** *and* **Section B.**
6. *Attempt* ***all*** *the questions from* **Section A**.
7. *Attempt* ***four*** *questions from* **Section B**, *answering at least* **one** *question each from the* **two** *books you have studied and* **any two** *other questions from the same books that you have compulsorily chosen.*
8. *The intended marks for questions or parts of questions are given in brackets [ ].*

***Instruction for the Supervising Examiner***

*Kindly read aloud the instructions given above to all the candidates present in the Examination Hall.*

**This paper consists of 12 printed pages.**



© *Copyright reserved.*

## SECTION–A (40 Marks)

*Attempt **all** questions.*

**Question 1**

Write a short composition in **Assamese** of approximately **250** words on any **one** of the following topics :- [15]

তলত দিয়া যিকোনো এটা বিষয় বাচি লৈ আনুমানিক **২৫০** টা শব্দৰ ভিতৰত **এখনি** ৰচনা লিখা :-

(i) মানুহে পাঙে আৰু ঈশ্বৰে ভাঙে — (Man proposes and God disposes) এই প্ৰৱচন ফাকি ব্যৱহাৰ কৰি এটি গল্প নাইবা এখনি ৰচনা লিখা।

(ii) ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত মহৎ লোকৰ জীৱনী অধ্যয়নৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে এখন ৰচনা লিখা।

(iii) "বনাঞ্চলেই আমাৰ ভৱিষ্যত....আজি আমি সেই বনাঞ্চলেই ধ্বংস কৰিছো।" কিয় কৰিছো আৰু কেনেকৈ কৰিছো.....এই বিষয়টোৰ সম্পূৰ্ণ ব্যাখ্যা আগবঢ়াই আমাৰ জীৱনৰ লগত বনাঞ্চলৰ সম্বন্ধ আৰু গুৰুত্ব সম্পৰ্কে তোমাৰ মতামত আগবঢ়াই এখনি ৰচনা লিখা।

(iv) এটি মৌলিক গল্প লিখা যাৰ আৰম্ভণি নাইবা শেষ বাক্যটো হ'ব..... "জীৱন নহয় মাথোন আনন্দৰ মেলা, ই মাথোন হাঁহি আৰু চকুলোৰ খেলা।"

(v) তলত দিয়া ছবিখন ভালদৰে অধ্যয়ন কৰি সেইখনৰ লগত সমন্ধ ৰাখি এখনি **ৰচনা** নাইবা এটি **গল্প** লিখা। তোমাৰ লিখনিৰ সৈতে ছবিখনৰ সম্বন্ধ থাকিব লাগিব। লিখনিৰ আৰম্ভণীতে গল্প বা ৰচনাখনৰ শীৰ্ষক দিবলৈ নেপাহৰিবা।



**Question 2**

Write a letter in **Assamese** in approximately **120** words on any **one** of the topics given below :- [7]

তলত দিয়া যিকোনো এটা বিষয় বাচি লৈ আনুমানিক **১২০** টা শব্দৰ ভিতৰত **এখন** চিঠি লিখা :-

**EITHER**

তোমাৰ বিদ্যালয়ৰ পুথিভঁৰালত অসমীয়া কিতাপৰ অভাৱৰ বাবে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানলাভত হানি হোৱাৰ লগতে প্ৰয়োজনীয় হাতপুথিসমূহ নোহোৱাৰ বাবে হোৱা অসুবিধাসমূহৰ কথা বৰ্ণনা কৰি বিদ্যালয়ৰ প্ৰধান শিক্ষকলৈ এখন দৰ্খাস্ত লিখা।

**OR**

তোমাৰ বন্ধুৰ ককায়েকে বিদেশৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয়ত পঢ়িবলৈ যোৱাৰ সুযোগ লাভ কৰিছে। এই খবৰত তুমিও বৰ আনন্দিত। এইখন বিশ্ববিদ্যালয়ত পঢ়িবলৈ কি কি ধৰণৰ অৰ্হতাৰ প্ৰয়োজন আৰু কেনে ধৰণেৰে পঢ়িব যাব পাৰি...... এই সকলো কথা বিতংকৈ সুধি তোমাৰ বন্ধুলৈ এখন চিঠি লিখা। চিঠিত নাম আৰু ঠিকনা লিখিবলৈ নাপাহৰিবা।

**Question 3**

Read the passage given below and answer in **Assamese** the questions that follow, using your own words as far as possible :-

তলত দিয়া কথাংশ পঢ়ি চোৱা আৰু লগত দিয়া প্ৰশ্নসমূহৰ উত্তৰ যিমান পাৰা নিজৰ ভাষাত দিবলৈ চেষ্টা কৰা :-

''উদ্‌গতিৰ আন এটা আহিলা চৰিত্ৰ। সৎ চৰিত্ৰ উদ্‌গতি পথৰ প্ৰৱল সহায়। যি মানুহে সৎ চৰিত্ৰক সাৰথি কৰি উদ্‌গতি পথত যাত্ৰা কৰে, তাক কোনো অপায়ে পশিব নোৱাৰে। ধনৰ বল বা বিদ্যাৰ বল একোৱেই চৰিত্ৰ বলৰ সমান নহয়। কুচৰিত্ৰৰ কুফল ধন বা বিদ্যাৰে খণ্ডাব নোৱাৰি। ধনৱন্ত আৰু বিদ্যাবন্ত মানুহো চৰিত্ৰৰ দোষত ৰসাতললৈ যায়। চৰিত্ৰহীন মানুহৰ শত্ৰু সৰহ, এতেকে সংসাৰত সিহঁতৰ বিপদো সৰহ। ধনহীন বা বিদ্যাহীন হ'লে মানুহে আনৰ পুতৌ পায়, কিন্তু চৰিত্ৰহীন হ'লে তাক কোনেও দেখিব নোৱাৰে। সৎ চৰিত্ৰ মানৱ স্বভাৱৰ জেউতি। আন গুণ নাথাকিলেও, অকল সেয়েই মানুহৰ শোভা বঢ়ায়। চৰিত্ৰৱান মানুহ পবিত্ৰ জলৰ নিচিনা। সিহঁত নিজেও পবিত্ৰ, আৰু আনকো পবিত্ৰ কৰে। চৰিত্ৰৱন্ত মানুহক চৰিত্ৰহীন মানুহে পেটে পেটে ভয় কৰে; আৰু সিঁহতৰ আগত বেয়া কাম কৰিবলৈ সঙ্কুচিত হয়। ধন আৰু বিদ্যাৰ পৰা মানুহে ক্ষমতা লাভ কৰে. কিন্তু চৰিত্ৰৰ পৰা মহত্ব প্ৰাপ্ত হয়। কুচৰিত্ৰই মানুহক পশুত্বলৈ নমায়, কিন্তু সুচৰিত্ৰই দেবত্বলৈ তোলে। সুচৰিত্ৰ মনুষ্যত্বৰ সাৰ, এতেকে সি উন্নতিৰ মেৰুদণ্ডৰ নিচিনা।

চৰিত্ৰৰ মূল অভ্যাস। কোনো এটা কাম সদায় কৰি থাকিলে, তাক পাচত গৈ এৰিব নোৱাৰা হয়। আৰু এৰিব নোৱাৰা হ'লেই সেই কামটো অভ্যাস হোৱা বোলে। মানুহে প্ৰতি একোটা অভ্যাস আছে। কোনো মানুহৰ পুৱাই উঠা অভ্যাস, কোনো মানুহৰ বেলিকৈ উঠা অভ্যাস, কোনো মানুহৰ এসাঁজ খোৱা অভ্যাস, কোনো মানুহৰ তিনি সাঁজ খোৱা অভ্যাস। এনেবিলাক কামত যেনেকৈ মানুহৰ একোটা অভ্যাস জন্মে, আচাৰ-ব্যৱহাৰ সম্বন্ধেও সেইদৰে মানুহে মানুহে একোটা ভিন ভিন

অভ্যাস জন্মে। কোনো মানুহৰ খিয়াল কৰা অভ্যাস হয়, অৰ্থাৎ সি খিয়াল নকৰি থাকিব নোৱাৰে। এইদৰে আচাৰ-ব্যৱহাৰ সম্বন্ধে যিবোৰ অভ্যাস জন্মে, সেইবোৰ গোটখাই চৰিত্ৰ হয়। মানুহৰ অন্তৰত ভাল আৰু বেয়া দুই শ্ৰেণীৰ বৃত্তি আছে। দয়া এটা ভাল আৰু লোভ এটা বেয়া বৃত্তি। ভাল বৃত্তিৰ গুণত ভাল অভ্যাস জন্মে যেনে, দয়াৰ গুণত মানুহ দানী হয়, পৰোপাকাৰী হয়। বেয়া বৃত্তিৰ গুণত বেয়া অভ্যাস জন্মে যেনে, লোভৰ গুণত মানুহ চোৰ হয়, ঠগ হয়। এতেকে ভাল বৃত্তিৰ পৰা ভাল আৰু বেয়া বৃত্তিৰ পৰা বেয়া চৰিত্ৰ জন্মে। ভাল বেয়া দুয়োবিধ বৃত্তিকে মানুহে যত্ন পুৰুষাৰ্থ কৰি বঢ়াব টুটাব পাৰে। যি চৰিত্ৰ ভাল কৰিব খোজে সি তাৰ বেয়া বৃত্তিবোৰ দমন ৰাখি ভালবোৰৰ তেজ বঢ়োৱা উচিত।

মানুহৰ বেয়া বৃত্তিবোৰ কৰ্ষণ নকৰাকৈ আপোনা-আপুনি ফুঁটি ওলায়, কিন্তু ভালবোৰ জ্ঞান বুদ্ধি থিৰ হ'লেহে দেখা দিয়ে। ল'ৰাকালত মানুহে ক্ৰোধ লোভ আদি বেয়া বৃত্তিবোৰৰ অধীনত থাকে, তেতিয়া তাৰ মনত ভাল বৃত্তিৰ ক্ৰিয়া দেখাই নাযায়, ডাঙৰ হৈ হিতাহিত জ্ঞান লাভ কৰিলে তেতিয়া ভাল বৃত্তিবোৰ দেখা দিব ধৰে। কিন্তু বেয়া বৃত্তিবোৰ আগবঢ়াৰ নিমিত্তে মনুষ্য জাতিৰ অশেষ অপকাৰ হৈছে। সিহঁতৰ দণ্ডিত মানুহে প্ৰথমতে বেয়া বাটে খোজ লয়। বেয়া বৃত্তিবিলাক মনুষ্য জীৱনত প্ৰথম নায়ক নোহোৱাহেঁতেন, সংসাৰত ইমান কুকাম দেখা নগ'লহেঁতেন, পৃথিৱী স্বৰ্গৰ নিচিনা সুখৰ আলয় হ'লহেঁতেন। বেয়া বৃত্তিবিলাকে আগেয়ে মানুহক বেয়া বাটত পেলাই দিয়ে, পাচত জ্ঞানৰ বলেৰেহে তাৰপৰা উদ্ধাৰ হ'ব লাগে। এই দেখি মানুহে চৰিত্ৰ গঠন কৰা কামক চৰিত্ৰ সংশোধন নাম দিছে। আদিতে সকলো মানুহৰ চৰিত্ৰ বেয়া থাকে, পাচত জ্ঞান বুদ্ধি উপজিলে তাক শুধৰাই লয়। কিন্তু বেয়াক ভাল কৰা বা অপবিত্ৰক পবিত্ৰ কৰা বৰ টান কথা। আৰম্ভতে সজ বাট লগাই দিবলৈ উজু, কিন্তু অসজ বাটত চলি থকা মানুহক তাৰ পৰা ওভতাই অনা টান। সেই দেখি সংসাৰত সজ মানুহৰ সংখ্যাতকৈ অসজ মানুহৰ সংখ্যা সৰহ। আগৰ পৰা অসজ পথত প্ৰবৰ্ত্তাৰ নিমিত্তে তাত মানুহৰ ৰাপ জন্মে, পাচত জ্ঞানৰ পোহৰত তাৰ কুন্ধচালি দেখিলেও সিহঁতে তাক এৰি দিব নোৱাৰে। এতেকে কোমল বয়সতে চৰিত্ৰ শুধৰাই নল'লে পাচত শুধৰোৱা টান হয়। কোমলতে ভাঁজ দিলেহে বস্তুৱে ভাঁজ লয়। যি মানুহে কুকাম কৰি কৰি হাড় পকাইছে তাৰ চৰিত্ৰ সংশোধন কৰা কদাপি সম্ভৱ নহয়।''

(i) চৰিত্ৰৱান মানুহ পবিত্ৰ জলৰ নিচিনা বুলি কিয় কোৱা হৈছে ? [2]

(ii) ধন আৰু বিদ্যাৰ পৰা মানুহে ক্ষমতা লাভ কৰে, কিন্তু চৰিত্ৰৰ পৰা কিদৰে মহত্ত্ব প্ৰাপ্ত হয় ? [2]

(iii) অভ্যাস হোৱা মানে কি ? চৰিত্ৰৰ মূল অভ্যাস বুলি কিয় কোৱা হৈছে ? [2]

(iv) ভাল-বেয়া দুয়োবিধ বৃত্তিকে মানুহে কেনেকৈ কম বেছি কৰিব পাৰে ? [2]

(v) মানুহৰ বেয়া বৃত্তিবোৰ কৰ্ষণ নকৰাকৈ আপোনা-আপুনি ফুঁটি ওলায়, কিন্তু ভালবোৰ জ্ঞান বুদ্ধি থিৰ হ'লেহে দেখা দিয়ে কিয় ? বেয়া বৃত্তিবোৰ আগবঢ়াৰ নিমিত্তে মনুষ্য জাতিৰ কি অপকাৰ হৈছে ? [2]

**Question 4**

Choose the correct answer to following questions from the options given :- [8]

তলত দিয়া প্ৰশ্নসমূহ ভালদৰে পঢ়া আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই লিখা :-

(i) সাধুজনৰো কেতিয়াবা ভুল হ'ব পাৰে। অৰ্থাত —

(a) উপকাৰীক অজগৰে খায়

(b) হস্তীৰো পিছলে পাৰ সজ্জনৰো বুৰে নাও

(c) উলুৰ লগত বগৰী পোৰা

(d) এশ গৰু মাৰিলে বাঘৰো মৰণ

(ii) তলত দিয়া বাক্যবোৰৰ পৰা শুদ্ধ বাক্যটো বিচাৰি উলিওৱা —

(a) কেঁচুৰাটোৰ টোপনি আহিছে দেখি বৰকৈ কান্দিছে।

(b) কেঁচুৰাটোৰ টোপনি অহা নাই দেখি বৰকৈ কান্দিছে।

(c) কেঁচুৰাটোৰ টোপনি ধৰিছে দেখি বৰকৈ কান্দিছে।

(d) কেঁচুৰাটোৰ টোপনি দেখি বৰকৈ কান্দিছে।

(iii) উপযুক্ত জঁটুৰা ঠাঁচটো ব্যৱহাৰ কৰি তলৰ বাক্যটো পূৰ্ণ কৰা।

মাকৰ হাতৰ প্ৰচণ্ড চৰটো খাই ............. যেন লাগিল।

(a) জয়জয় ময়ময় হোৱা

(b) পানীত হাঁহ নচৰা

(c) চকুৰে সৰিয়হ ফুল দেখা

(d) অচিন কাঠৰ ঠোৰা

(iv) জুই শব্দটোৰ সমাৰ্থক শব্দ হৈছে —

(a) দাবানল

(b) হুতাশন

(c) অগ্নি

(d) ওপৰৰ আটাইকেইটা শুদ্ধ

(v) চাল আৰু ছাল শব্দ দুটাৰ ক্ৰমান্বয়ে অৰ্থ হৈছে —

(a) ঘৰৰ আবৰণ আৰু গাৰ আবৰণ

(b) গাৰ আবৰণ আৰু ঘৰৰ আবৰণ

(c) এটাও নহয়

(d) ক আৰু খ দুয়োটাই হয়

(vi) যি পথৰ পৰা আঁতৰি গৈছে —

(a) পথচাৰী

(b) বাটৰুৱা

(c) পথভ্ৰষ্ট

(d) পথিক

(vii) কাছাৰীলৈ গ'লেই ........... মাজত সোমাই পৰিব লাগে।

(a) আলাপ - আলোচনাৰ

(b) বিচাৰ - বিবেচনাৰ

(c) মামলা - মোকৰ্দমাৰ

(d) আমোদ - প্ৰমোদৰ

(viii) তলৰ কোনটো খণ্ডবাক্য শুদ্ধ বিচাৰি উলিয়াই লিখা —

(a) গছত তুলি গুৰি ধৰা

(b) গছত তুলি গুৰি কটা

(c) গছৰ তলত গুৰি কটা।

(d) গছত উঠি গুৰি কটা।

**SECTION–B (40 Marks)**

*Questions from only **two** of the following textbooks are to be answered.*
*Attempt **four** questions from this Section.*
*You must answer at least **one** question from each of the **two** books you have studied and **any two** other questions from the same books that you have chosen.*

## অসমীয়া চুটি গল্পৰ প্ৰবাহ

## ASOMIYA SUTI GALPAR PRABAH (Short Stories)

### Question 5

Read the extract given from the **Story** and answer the questions that follow :-
তোমাৰ গল্পপুথি 'অসমীয়া চুটি গল্পৰ প্ৰবাহৰ' ''দুখন ভৰি'' নামৰ গল্পটিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা:-

''বাটতে সত্যেনক সুধিলো, 'কেনে লাগিল অমলাক' ?
সত্যেনে হয়তো অমলাৰ কথাই চিন্তা কৰি আহিছিল। কলে, 'ভৰি দুখন বৰ ধুনীয়া। ভাল ছোৱালী।' সত্যেনৰ উত্তৰটো অলপ অস্বাভাৱিক যেন লাগিল। অৱশ্যে তেওঁ অলপ ভাবুক ধৰণৰ মানুহ— সদায় কম কথা কয়। তেওঁৰ নিশ্চয় এজনী ছোৱালীৰ বিষয়ে এনেকৈ কোৱাৰ কিবা যুক্তি আছে।''

**দুখন ভৰি — চৈয়দ আব্দুল মালিক**

(i) ৰায়বাহাদুৰ ব্ৰজেন ফুকনৰ ঘৰত প্ৰীতি-সন্ধিয়াৰ আয়োজন কৰাৰ কাৰণ কি ? সেই সন্ধিয়াৰ মূল আকৰ্ষণ শ্ৰীমতী অমলাই অতিথিসকলক কেনেদৰে আপ্যায়ণ কৰিছিল ? প্ৰথম দৰ্শনতেই সত্যেন তেওঁৰ প্ৰেমত পৰাৰ কাৰণ কি ? [2]

(ii) সত্যেন কেনেকুৱা ধৰণৰ ছাত্ৰ আছিল ? ছাত্ৰাৱস্থাৰে পৰা তেওঁ কেনে ধৰণৰ কাম-কাজত জড়িত আছিল ? [2]

(iii) এদিন দুই বন্ধুৱে কথা পাতি থাকোতে এজন গাঁৱলীয়া বুঢ়া মানুহ চোতাললৈ কিয় সোমাই আহিছিল ? মানুহজনৰ পোছাক-পৰিচ্ছদ কেনেকুৱা ? [3]

(iv) হৰতাল হওঁতে কাচাৰীঘৰৰ গেটত ৰায়বাহাদুৰ ব্ৰজেন ফুকন আৰু বুঢ়াজনৰ মাজত কি ঘটনা ঘটিছিল ? সেই ঘটনা শুনি সত্যেনে কি সিদ্ধান্ত লৈছিল আৰু এই প্ৰসংগত তেওঁ কি কৈছিল? [3]

**Question 6**

Read the extract given from the **Story** and answer the questions that follow :-
তোমাৰ গল্পপুথি 'অসমীয়া চুটি গল্পৰ প্ৰবাহ'ৰ ''সখা দামোদৰ'' নামৰ গল্পটিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''মাটি বন্ধকত গ'ল। অতি মৰমৰ বলদহালো বেচা পৰিল। সি কৃষি এৰিলে। কেইটামান টকাৰ চাকৰিত সোমাই এৰাল দিয়া গৰু হ'ল। বিহুৰ দিনাও দৰবৰ ওকটা গোন্ধ লৈ হাস্পাতাল ৰখি থাকিব লগা হ'ল।''

**সখা দামোদৰ — লক্ষ্মীনন্দন বৰা**

(i) খেতি-বাতি কৰি সুখেৰে ল'ৰা-তিৰোতা লৈ খাই-বই জীয়াই থকা মুকুটে হাস্পাতলৰ চকীদাৰৰ কাম কিয় কৰিবলগীয়া হ'ল ? [2]

(ii) বিহুৰ উৰুকাৰ দিনা মুকুটৰ মনৰ অৱস্থা ইমান দুখ লগা হোৱাৰ কাৰণ কি ? ভানুৱে তাৰ অসুখ নেকি বুলি সোধোঁতে সি কি বুলি কৈছিল ? [2]

(iii) ঢেঁকীশালৰ চেপত মণিয়ে মাখিলতিৰ পাত লুকুৱাই কি আশা কৰিছিল ? মেলেকটাৰীত চাকৰি কৰা মোমায়েকক নেদেখাকৈ সি তেওঁৰ বিষয়ে কি ভাবিছিল ? [3]

(iv) ''ভানু, গৰীবৰ ঘৰলৈ অতিথি আহিছে অ'' — এই বুলি মুকুটে কাৰ কথা কৈছিল ? তাৰ পাছত গোটেই পৰিয়ালটোৱে অতিথিক কেনেদৰে আদৰিলে ? [3]

**Question 7**

Read the extract given from the **Story** and answer the questions that follow :-
তোমাৰ গল্পপুথি 'অসমীয়া চুটি গল্পৰ প্ৰবাহ'ৰ ''এখন নদীৰ মৃত্যু'' নামৰ গল্পটিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''ধনেশ্বৰে জালখন চোতালত মেলি দি মাছৰ পাচিটো পিৰালি কাঁথিতে থৈ চোতালত তাঁলৈ থৈ দিয়া পানীকলহ হুৰমূৰাই মূৰত ঢালিলে। গাটো হাত দুখনেৰে খলপ খলপ শব্দ কৰি দুবাৰমান পখালিলে। ভোলৰ জিম এটাৰে আঁঠুৰ পৰা ভৰি দুখন যিমান পাৰে জোৰেৰে ঘঁহিলে। কলহৰ অৱশিষ্ট পানীখিনি কঁকালৰ পৰা ভৰি দুখনত ঢালি ওচৰৰ তাঁৰত থকা গামোচাখনেৰে গাটো মাজে মাজে টুকি লৰালৰিকৈ শুকান চুৰিয়াখন পিন্ধি তিয়নি সলালে।''

**এখন নদীৰ মৃত্যু — মহিম বৰা**

(i) দুই ভৰিৰ খজুৱতি কমাবলৈ ধনেশ্বৰে ঘৈণীয়েকক কি খুজিলে ? [2]

(ii) আগৰ কলংনদীৰ কথা সুঁৱৰি ধনেশ্বৰে খঙতে কি বুলি মন্তব্য দিছিল ? [2]

(iii) জয়ন্তীৰ বিয়াৰ প্ৰসংগত জয়ধনে কি মন্তব্য দিলে ? [3]

(iv) কলংনদীৰ ওপৰত দলং হোৱাৰ কাৰণে সুদক্ষ গুৰিয়াল জয়ধনে পুৰণি কথাবোৰ সুঁৱৰি কি বুলি দুখ কৰিছিল ? [3]

## সাউদৰ পুতেকে নাও মেলি যায় (হোমেন বৰগোহাঞি)

## SAUDOR PUTEKE NAO MELI JAI (Novel)

**Question 8**

Read the extract given from the **Novel** and answer the questions that follow :-
তলত দিয়া তোমাৰ পাঠ্যপুথি 'সাউদৰ পুতেকে নাও মেলি যায়' নামৰ উপন্যাসখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''লাহে লাহে সি আৰোগ্য হৈ আহিল আৰু এদিন আবেলি পৰত মাকে তাক নৰিয়া-পাৰ্টীৰ পৰা তুলি হাতত ধৰি বাহিৰলৈ উলিয়াই আনিলে। পিৰালিত তাৰ কাৰণে চকী এখন পাতি থোৱা আছিল। তাতে বহি সি সদ্যোজাত শিশুৰ দৰে চকু দুটা মেলি পৃথিৱীখনলৈ চাই পঠিয়ালে।''

(i) সদ্যজাত শিশু বুলি কওঁতে কি বুজিছা ? বাপুকণক কিয়া সদ্যোজাত শিশু বুলি কোৱা হৈছে ? চকু মেলিয়েই প্ৰথমে কি দৃশ্য দেখিলে ? [2]

(ii) তাৰ পাছত তাৰ কি কি দৃশ্য চকুত পৰিল আৰু সি কিয় সকলো বস্তুকে বৰ সুন্দৰ দেখিলে ? [2]

(iii) হঠাতে মাখনীলৈ মনত পৰি সি তাইৰ ওচৰলৈ গৈ কেনে অনুভৱ কৰিলে ? [3]

(iv) মাখনীৰ প্ৰাণহীন দেহাটো কলপাতেৰে মেৰিয়াই মৰিশালিলৈ লৈ যোৱা দেখি বাপুকণে কি বুজি পালে আৰু কেনে অনুভৱ কৰিলে ? [3]

**Question 9**

Read the extract given from the **Novel** and answer the questions that follow :-
তলত দিয়া তোমাৰ পাঠ্যপুথি 'সাউদৰ পুতেকে নাও মেলি যায়' নামৰ উপন্যাসখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''চকুৰ পচাৰতে ৰেণু বিক্ৰমৰ দৃষ্টিৰ সমুখৰ পৰা নোহোৱা হৈ গ'ল, কিন্তু তাই তাৰ দৃষ্টিৰ সন্মুখত ৰাখি গ'ল ৰামধনুৰ আটাইকেইটা ৰঙৰ বিচিত্ৰ খেলা। তাৰ দৃষ্টিৰ সন্মুখত পৃথিৱীখনে মুহূৰ্তে মুহূৰ্তে বৰণ সলাবলৈ ধৰিলে। সেই অপৰূপ ৰঙৰ সমুদ্ৰৰ জোৱাৰে বিক্ৰমক কোলাত লৈ কেইটামান অন্তহীন মুহূৰ্ত নচুৱাবলৈ ধৰিলে।''

(i) ৰেণুৰ পৰিচয় দিয়া। কেতিয়া, ক'ত বিক্ৰমে ৰেণুক প্ৰথম লগ পাইছিল ? [2]

(ii) প্ৰথম দিনাই সি তাইৰ আগত কিয় লাজ পাবলগীয়া হ'ল ? [2]

(iii) কোনদিনা বিক্ৰমে তাৰ জীৱনৰ প্ৰথমটো কবিতা লিখিছিল আৰু তাৰ পিছত তাৰ জীৱনৰ গোপন অৱস্থা এটাক সি এটা সপোনৰ দৰে কিদৰে অন্তৰৰ মাজত জীয়াই ৰাখিছিল ? [3]

(iv) বিক্ৰমে কৈছে যে সি কেৱল কবি হ'বলৈ নিবিচাৰে — সি কি হ'ব বিচাৰে আৰু কেনে পৰিস্থিতিত পৰি সি নিজকে পাপী বুলি কৈছে ? [3]

## Question 10

Read the extract given from the **Novel** and answer the questions that follow :-
তোমাৰ পাঠ্যপুথি ‘সাউদৰ পুতেকে নাও মেলি যায়’ নামৰ উপন্যাসখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

‘‘এই অপ্ৰত্যাশিত সৌভাগ্যৰ সংবাদ শুনি আনন্দত বিক্ৰমৰ জপিয়াই উঠিবলৈ মন গ’ল। তাৰ গোটেই গা থৰথৰকৈ কঁপিবলৈ ধৰিলে। এই অভাৱনীয় আনন্দৰ খবৰটো কাৰোবাক নিদিয়ালৈকে তাৰ শান্তি নাই। বায়েকহঁতকেই কথাটো চিঞৰি চিঞৰি ক’বলৈ তাৰ মন গ’ল। কিন্তু সি উঠিব খোজোতেই দেউতাকে আকৌ মাত লগালে — বহ্, আৰু কথা আছে। ’’

(i) দেউতাকে বিক্ৰমক কি সংবাদ দিলে ? সংবাদটো শুনি বিক্ৰমৰ মন আনন্দত জপিয়াই উঠি যাব খোজোতেই দেউতাকে তাক আৰু কি কি কথা ক’লে ? [2]

(ii) সেই নিশা বিক্ৰমৰ টোপনি ধৰিলেনে ? সি কি কি কথা ভাবি গোটেই নিশাটো কটালে ? [2]

(iii) তাৰ পিছত গাওঁখন এৰি যোৱাৰ কথা ভাবোঁতে কেনেবোৰ কথাই তাৰ হৃদয়ত দুখ দিলে ? [3]

(iv) দোকমোকালিতে উঠি পুৱতিৰ আকাশত জিলিকি থকা শেষ তৰাকেইটালৈ চাই সি কি ভাবিলে ? সি কাৰ কাৰ পৰা বিদায় লৈ অদূৰ ভবিষ্যতৰ সপোন দেখিলে ? [3]

# কবিতা মঞ্জৰী

# KOBITA MONJORI (Poems)

## Question 11

Read the extract given from the book KOBITA MONJORI and answer the questions that follow :-
তোমাৰ পাঠ্যপুথি ‘কবিতা মঞ্জৰী’ নামৰ কবিতা পুথিৰ ‘গঢ়া কৰি মোক ঝাড়ুদাৰ’ নামৰ কবিতাটিৰ পৰা তুলি দিয়া কবিতাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

‘‘তোমাৰ সৃষ্টি কদাকাৰ কৰা মলি মামৰৰ দ’ম
বিশ্বৰ পৰা সাৰি-পুছি ময়েই গৰাকী হ’ম।
তেতিয়া তোমাৰ সৃষ্টি
নিৰ্মলতাৰ বৃষ্টি
ধাৰাসাৰে পৰি ধুই-ধাই নিব যতবোৰ অভিশাপ............।’’

**গঢ়া কৰি মোক ঝাড়ুদাৰ — অম্বিকাগিৰী ৰায়চৌধুৰী**

(i) কবিয়ে কিয় বিশ্বস্ৰষ্টাক হাতুৰীৰে পিটি পিটি তেওঁক ঝাড়ুদাৰ কৰি গঢ়ি তুলিবলৈ কৈছে ? [2]

(ii) পৃথিৱীখন মলিয়ন হোৱাৰ কাৰণ জাবৰ-জোঁথৰ বুলি আচলতে কবিয়ে কি বুজাইছে ? [2]

(iii) ভগৱানে যদি তেওঁক সোধে সাৰিপুচি জাবৰ-জোঁথৰবোৰ কবিয়ে ক’ত পেলাব তাৰ উত্তৰত কবিয়ে কি ক’ব ? [3]

(iv) কবিতাটি এটি সংস্কাৰমুখী কবিতা হিচাবে যুক্তি ডাঙি ধৰা। [3]

**Question 12**

Read the extract given from the book KOBITA MONJORI and answer the questions that follow :-

তোমাৰ পাঠ্যপুথি ‘কবিতা মঞ্জৰী’ নামৰ কবিতা পুথিৰ “মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি” নামৰ কবিতাটিৰ পৰা তুলি দিয়া কবিতাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা:-

“মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি
আজাৰৰ আন্ধাৰত তয়ে বেচ
বাই তোৰ কোন গাঁৱত ঘৰ
মৰেনে মানুহ তাত —”

**মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি — নীলমণি ফুকন**

(i) কবিয়ে গাঁৱৰ এগৰাকী দৰিদ্ৰ বায়ে হাটত বেচা ঢেঁকীয়া শাক কিনিবলৈ গৈ অনুভৱ কৰিছে যে ঢেঁকীয়া শাক কেইমুঠিমান বেচিবলৈ লৈ বায়ে আচলতে হাতৰ আঙুলিহে যেন বেচিছে। কবিয়ে এই বুলি কিয় কৈছে ? [2]

(ii) গাঁওখনৰ খবৰ ল'বলৈ গৈ কবিয়ে বাইক কি কি প্ৰশ্ন কৰিছে আৰু কিয় কৰিছে বুলি ভাবা ? [2]

(iii) মাজৰাতি বাইৰ ঘৰৰ বেৰৰ জলঙাৰে নদী সোমোৱা আৰু লাওৰ খোলাৰ ভিতৰত সাঁচি থোৱা দিনবোৰৰ কথা ক'বলৈ গৈ কবিয়ে প্ৰকৃততে কি বুজাইছে ? [3]

(iv) দুচকুৰ প্ৰভাৱে কাঞ্চন গছৰ আন্ধাৰ দূৰ কৰা আৰু বৃদ্ধা বয়সত জেতুকা পিন্ধা কথা দুটা কবিয়ে কি প্ৰসঙ্গত উল্লেখ কৰিছে ? কথা দুটাৰ অৰ্থ কি ? [3]

**Question 13**

Read the extract given from the book KOBITA MONJORI and answer the questions that follow :-

তোমাৰ পাঠ্যপুথি ‘কবিতা মঞ্জৰী’ নামৰ কবিতা পুথিৰ “শৰৎ বৰ্ণনা” নামৰ কবিতাটিৰ পৰা তুলি দিয়া কবিতাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা:-

“ৰাজাক সম্বুধি কহে শুকে যেন্নে
বাৰিষা সময় গৈল।
শৰত কালত যত মহাগুণ
সবেয়ো বিদিত ভৈল।।

চাৰি ঠাইৰ চাৰি কাৰ্য সাধিলেক
শুনা তাৰ পটন্তৰ।
কৃষ্ণৰ ভকতি যেন চাৰি দুখ
হৰৈ চাৰি আশ্ৰমৰ।।”

**শৰৎ বৰ্ণনা — শংকৰদেৱ**

(i) শৰৎ কালে সাধন কৰা চাৰিটা কাৰ্যৰ বৰ্ণনা কৰা। [2]

(ii) সেই চাৰি কাৰ্যৰ সৈতে মানৱ জীৱনৰ চাৰি আশ্ৰমৰ তুলনা কবিয়ে কেনেদৰে দিছে বুজাই লিখা। [2]

(iii) মেঘে পানী এৰি গা শুক্ল কৰা আৰু শৰৎ কালৰ সূৰ্যৰ তাপ চন্দ্ৰই শীতল কৰাৰ তুলনা কবিয়ে কেনেকৈ দিছে ? [3]

(iv) নগৰ গাঁৱৰ শস্যক্ষেত্ৰ পকা ধানেৰে সুশোভিত হৈ পৰাৰ কথা কি প্ৰসঙ্গত কবিয়ে উল্লেখ কৰিছে ? [3]

## কাৰেঙৰ লিগিৰী

## KARENGAR LIGIRI (Drama)

## ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা

**Question 14**

Read the extract given from the **Drama** and answer the questions that follow :-

তোমাৰ পাঠ্যপুথি 'কাৰেঙৰ লিগিৰী' নামৰ নাটকখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''বপুৰা : (নিজৰ মনতে বিশ্বাস থাপি) হো হো হো ৰাজমাৱে কথাটো টং কৰিছে। আটায়ে কৰিছে। তইহে বিটং কৰিছ।''

শেৰালি : কি কয় অ' এইটোৱে। ঠাঁৰে-চিয়াঁৰে কোৱা কথাবোৰ মই নুবুজো পাই।

বপুৰা : (নিজৰ অনুমানত সন্দেহ কৰি) তোকনো ৰেৱতীয়ে কি কৈছিল ?

শেৰালি : জোৰাই দিছিল।''

বপুৰা : কাৰ সতেনো।

শেৰালি : (তললৈ মূৰকৰি) কোঁৱৰৰ সতেহে ! (সৰুকৈ) মি - ছা কৈয়ে।

(i) বপুৰাৰ মনৰ আশা কি আছিল আৰু সেই আশা পূৰণ হ'ব বুলি সি কিয় দৃঢ়তাৰে বিশ্বাস কৰিছিল ? [2]

(ii) পিছত কোঁৱৰে বিয়া নকৰোৱাৰ কাৰণ সি কি বুলি সুদৰ্শনৰ আগত ব্যাখ্যা কৰিছিল ? বপুৰাই কোঁৱৰক বিয়া কৰাবলৈ মান্তি কৰিবলৈ কি দৰবৰ ব্যৱস্থা কৰাৰ কথা সুদৰ্শনৰ আগত বিৱৰি ক'লে ? [2]

(iii) পিছৰ দৃশ্যত বপুৰাৰ ভুল ভাগিছে যে কোঁৱৰে বিয়া নকৰোৱাৰ গুৰি ক'ৰবাতহে। এই বিষয়ে সুদৰ্শনক সি কি বুলি ক'লে ? [3]

(iv) বপুৰাই শেৰালিলৈ আশা কৰাতো ভুল বুলি ভাবা নেকি ? তাৰ সপোন কেনেকৈ ভাঙিল ? [3]

**Question 15**

Read the extract given from the **Drama** and answer the questions that follow :-
তোমাৰ পাঠ্যপুথি 'কাৰেঙৰ লিগিৰী' নামৰ নাটকখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা :-

''অনঙ্গ : তাৰ পাছত বন্ধু তোমাৰ এনে আচৰিত ব্যৱহাৰ আৰু এইদৰে অভাৱনীয়ভাৱে কাজিৰঙাৰ অটব্য অৰণ্যলৈ মাতি অনাৰ উদ্দেশ্য ?

সুন্দৰ : উদ্দেশ্য মহৎ (বপুৰাক) তই এতিয়া ইয়াৰ পৰা যাব পাৰ। (বপুৰা ওলাই যায়)।

অনঙ্গ : অৱশ্যে মহৎ হ'বই লাগিব। তেন্তে মহৎ উদ্দেশ্যৰ ব্যাখ্যান হোক।''

(i) সুন্দৰ কোঁৱৰৰ কাজিৰঙালৈ যোৱাৰ প্ৰধান উদ্দেশ্য কি আছিল ? এই বিষয়ে কাঞ্চনমতী নাইবা অনঙ্গই কিবা সন্দেহ পাইছিল নে ? [2]

(ii) আগনিশা সুন্দৰ আৰু অনঙ্গৰ মাজত হোৱা বাক-বিতণ্ডাৰ বিষয়ে উল্লেখ কৰি সকলোৰে কাজিৰঙালৈ অনাৰ কথা সুন্দৰে কি বুলি ব্যাখ্যা দাঙি ধৰিলে ? [2]

(iii) অনঙ্গ আৰু কাঞ্চনকুৱৰীৰ মাজত থকা প্ৰেমৰ কথা অনঙ্গই স্বীকাৰ কৰোতে সুন্দৰে তেওঁক কি কথাবোৰ কৈ তেওঁৰ প্ৰতি শত্ৰুতা কৰিলে বুলি ব্যাখ্যা কৰে ? [3]

(iv) সুন্দৰে অনঙ্গৰ হাতত কাঞ্চনকুঁৱৰীক গতাই দিয়াৰ পাছত অনঙ্গই ক্ষোভ আৰু অভিমানত সুন্দৰ কোঁৱৰক কি বুলি কৈ বিদায় ল'লে ? কাঞ্চনকুঁৱৰীৰ কি হ'ল ? [3]

**Question 16**

Read the extract given from the **Drama** and answer the questions that follow :-
তোমাৰ পাঠ্যপুথি 'কাৰেঙৰ লিগিৰী' নামৰ নাটকখনিৰ পৰা তুলি দিয়া কথাংশ পঢ়া আৰু লগত দিয়া প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা:-

''সুন্দৰ : পালানে ? শেৱালিক পালানে ?

(কোনেও উত্তৰ নিদিয়ে, সুন্দৰে উঠিবৈ মূৰ দাঙি কিলাকুটিত ভৰ দি)

তেন্তে পোৱা নাই ! নাই ! তেন্তে শেৱালি সঁচাকৈয়ে উটি গ'ল ! উটি গ'ল ! নিজৰাত উটি গ'ল ! চাকনৈয়াৰ বুকুত মাৰ গ'ল ! বন্ধু সুদৰ্শন, অনঙ্গ, শেৱালি ক'লৈ গ'ল ? (আটাইবোৰ বিমৰ্ষ আৰু নিমাত)

বুজা নাছিলো বন্ধু — বুজা নাছিলো। বুজালি ...... শেৱালি মোক বুজালি। জীৱনেৰে বুজালি ......।''

(i) নাটৰ শেষৰফালে সুন্দৰ, অনঙ্গ আৰু সুদৰ্শনক নগা পৰ্বতৰ এটা গুহাত পুনৰ একেলগে দেখা গৈছে। এই দৃশ্যত সুন্দৰ আৰু সুদৰ্শনৰ কথা-বতৰাৰ এটি আভাস দিয়া। [2]

(ii) তেওঁলোক দুজনৰ বক্তব্যৰ ওপৰত অনঙ্গই কি মন্তব্য দিলে ? [2]

(iii) কুঁৱৰী হোৱাৰ সৌভাগ্য ভৰিৰে ঠেলি শেৱালিয়ে আত্মহত্যা কৰাৰ কাৰণ কি বুলি ভাবা ? [3]

(iv) শেষত শেৱালিক হেৰুৱাই সুন্দৰৰ মনৰ অৱস্থা কেনে হৈছিল ? এয়া শেৱালিৰ প্ৰতি সুন্দৰৰ অহেতুক প্ৰেম বুলি ক'ব নোৱাৰিনে ? তুমি কি ভাবা ? [3]